অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229 (Office), e-mail : assamjatiyabidyalay@gmail.com, website : www.assamjatiyabidyalay.com

# অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সভা

**নুনমাটি, গুৱাহাটী, ২৩ ছেপ্টেম্বৰ, ২০১৯** : অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ এখন সভা অসমৰ বিভিন্ন ঠাইৰ পৰা অহা জাতীয় বিদ্যালয়সমূহৰ পৰিচালনা সমিতি আৰু বিদ্যালয়ৰ প্ৰধান শিক্ষক-প্ৰতিনিধিৰ উপস্থিতিত ২২ ছেপ্টেম্বৰৰ দিনা অসম জাতীয় বিদ্যালয় চৌহদত অনুষ্ঠিত হৈ যায়। দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত এই সভাত শদিয়াৰ পৰা ধুবুৰীলৈকে অসমৰ কেউখন জিলাৰ জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ অন্তৰ্ভুক্ত ৩০২ খন বিদ্যালয়ৰ প্ৰায় ৫০০ প্ৰতিনিধি উপস্থিত থাকে। অসম জাতীয় বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক তথা অজাবি শিক্ষা সংসদ (এজবেক)ৰ সমন্বয়ক অসীম কৃষ্ণ বৰুৱাই সভাৰ আৰম্ভণী ঘোষণা কৰাৰ পিছতেই জাতীয় বিদ্যালয় সংগীতেৰে সভাৰ শুভাৰম্ভ কৰা হয়। এজবেক কাৰ্যবাহী পৰিষদৰ এগৰাকী সদস্য তথা অসম জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে সভাত উপস্থিত প্ৰতিনিধিসকলক উদ্দেশ্যি আদৰণী ভাষণৰ লগতে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। অসমীয়া মাধ্যমত প্ৰাক্-বিদ্যালয়ৰ অনানুষ্ঠানিক শিক্ষা ব্যৱস্থা সম্পৰ্কে বিতংভাৱে ব্যাখ্যা কৰে অসম জাতীয় বিদ্যালয়ৰ প্ৰাক্-বিদ্যালয় শাখাৰ তত্ত্বাৱধায়ক শিক্ষয়িত্ৰী জুৰি গোস্বামীয়ে। এটি শিশুৰ আনুষ্ঠানিক শিক্ষাগ্ৰহণৰ পূৰ্বতে কিয় এই অনানুষ্ঠানিক প্ৰাক্-বিদ্যালয় ব্যৱস্থাৰ প্ৰয়োজন এই বিষয়ত বিশেষভাৱে মনোযোগ দিবলৈও প্ৰতিনিধিসকলক আহ্বান জনায়। ইয়াৰ পূৰ্বে এজবেকৰ সচিব তথা শিশুৰোগ বিশেষজ্ঞ ডা° নাৰায়ণ শৰ্মাই প্ৰাক্-বিদ্যালয় শিক্ষাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা সম্পৰ্কে সভাক বক্তব্য আগবঢ়ায়। অসম জাতীয় বিদ্যালয়ৰ পৰীক্ষা পদ্ধতি আৰু অসমৰ যিসমূহ জাতীয় বিদ্যালয়ে অজাবিয়ে প্ৰস্তুত কৰা ছয়মাহিলি আৰু বছৰেকীয়া পৰীক্ষাৰ প্ৰশ্নকাকতেৰে পৰীক্ষা চলায়, ইয়াৰ ব্যৱস্থাৱলী সন্দৰ্ভত বক্তব্য আগবঢ়ায় অসম জাতীয় বিদ্যালয়ৰ জ্যেষ্ঠা শিক্ষয়িত্ৰী তথা পৰীক্ষা নিয়ন্ত্ৰক উদয়া ফুকনে। ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, কাৰ্বি আংলং, নগাঁও, হোজাই, মৰিগাঁও, ধেমাজি, লখিমপুৰ, বিশ্বনাথ চাৰিআলি, শোণিতপুৰ, দৰং, ওদালগুৰি, ধুবুৰী, গোৱালপাৰা, চিৰাং, কামৰূপ (গ্ৰাম্য), বৰপেটা, নলবাৰী আৰু কামৰূপ (মহানগৰ) জিলাৰ পৰা অহা প্ৰতিনিধিসকলে নিজ নিজ অঞ্চলত জাতীয় বিদ্যালয়ৰ শিক্ষাৰ ধাৰা একেলগে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত জাতীয় বিদ্যালয়ৰ নীৰৱ শৈক্ষিক আন্দোলন কেনেদৰে প্ৰভাৱান্বিত কৰিছে এই বিষয়ে আলোকপাত কৰে। ইয়াৰ পিছতেই অসম জাতীয় বিদ্যালয় পৰিচালনা সমিতি আৰু এজবেকৰ সচিব ডা° নাৰায়ণ শৰ্মাই বিভিন্ন জাতীয় বিদ্যালয়সমূহত গ্ৰহণ কৰিবলগীয়া পৰৱৰ্তী শৈক্ষিক ব্যৱস্থা সম্পৰ্কে ব্যাখ্যা আগবঢ়ায়। সভাৰ সভাপতি ৰঞ্জিত নাৰায়ণ ডেকাই এই সভাত উপস্থিত পৰিচালনা সমিতিৰ লগতে বিদ্যালয়সমূহৰ প্ৰধানসকলক অসীম ধৈৰ্য, কষ্টৰ সন্মুখীন হ'বলৈ আৰু নীতি-নিয়মসমূহ কঠোৰভাৱে পালন কৰিবলৈ আহ্বান জনায়। জ্যেষ্ঠ শিক্ষক তথা সহ-পাঠ্যক্ৰম বিভাগৰ মুৰব্বী ধ্ৰুৱ শৰ্মাই শলাগৰ শৰাই আগবঢ়ায়। উল্লেখযোগ্য যে এই সভাত অসম জাতীয় বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আৰু এজবেকৰ উপাধ্যক্ষ দিলীপ কুমাৰ দত্ত চৌধুৰী, শৈক্ষিক বিষয়া নৰেন্দ্ৰ মোহন গোস্বামী, উপাধ্যক্ষদ্বয় অপৰাজিতা বৰা, ৰবীন্দ্ৰ বৰ্মন, শিক্ষক প্ৰশিক্ষণ সমন্বয়ক তথা ইংৰাজী বিষয়ৰ জ্যেষ্ঠা শিক্ষয়িত্ৰী অপৰাজিতা দত্ত, ৰঘুনাথ কুমাৰ, বিনয় বিকাশ গগৈ আৰু নৰজ্যোতি তালুকদাৰ উপস্থিত থাকে।

(ডা° নাৰায়ণ শৰ্মা)
সচিব
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ